**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰ্তব্য পথত তৃতীয় কৰ্তব্য ভৱন মুকলি কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লগতে নতুন ভৱনটো পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে প্ৰতিগৰাকী লোকক সেৱা প্ৰদান কৰাৰ বাবে এই ভৱনটোৱে কেন্দ্ৰীয় চৰকাৰৰ দায়বদ্ধতা আৰু নিৰৱচ্ছিন্ন প্ৰয়াসৰ কথা প্ৰতিফলিত কৰে। তেওঁ কয় যে এই ভৱনটোৱে জনসাধাৰণৰ বাবে কেৱল চৰকাৰৰ নীতি আৰু আঁচনিসমূহ সুকলমে ৰূপায়ণ কৰাই নহয়, ই দেশৰ বিকাশৰ ক্ষেত্ৰত এটা নতুন গতি প্ৰদান কৰিব। শ্ৰীমোদীয়ে থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰা এই ভৱনটো দেশৰ বাবে মুকলি কৰি গৌৰৱ অনুভৱ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে এই কৰ্তব্য ভৱনটোৱে আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। তেওঁ ভৱনটো নিৰ্মাণ কৰা শ্ৰমিকসকলৰ সৈতেও মত-বিনিময় কৰে। পৰিৱেশ সুৰক্ষাৰ সকলো ধৰণৰ মান ৰক্ষা কৰি চেণ্ট্ৰেল ভিষ্টা প্ৰকল্পৰ অধীনত এই ভৱনটো নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালও অনুষ্ঠানত উপস্থিত থাকে। সুপ্ৰশাসন আৰু প্ৰশাসনিক কাম-কাজসমূহ ৰূপায়িত কৰাৰ বাবে নিৰ্মাণ কৰিবলগীয়া ভালেমান সচিবালয় ভৱনৰ এইটো হৈছে প্ৰথম ভৱন।

ooooooo

বিৰোধী পক্ষ্যৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে সংসদৰ উভয় সদনৰ কাম-কাজ আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। দ্বিতীয়বাৰ স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত লোকসভা মিলিত হোৱাৰ সময়ত বিৰোধী দলসমূহে সদনৰ মজিয়ালৈ গৈ বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়টোক লৈ আলোচনাৰ দাবী উত্থাপন কৰি বিভিন্ন শ্লোগান দি হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিৰোধী দলৰ সাংসদসকলে অব্যাহত ৰখা প্ৰতিবাদৰ বিষয়টোক লৈ অসন্তুষ্টি প্ৰকাশ কৰি কয় যে সাংবিধানিক আৰু সংসদীয় কাৰ্যক্ৰমণিকা আৰু নীতি অনুসৰি প্ৰতিটো বিষয়তেই আলোচনাৰ বাবে চৰকাৰ সাজু আছে। তেওঁ কয় যে বিহাৰৰ এই বিষয়টো বৰ্তমান

উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে। সেয়েহে এই সন্দৰ্ভত আলোচনা কৰিব নোৱাৰি। তেওঁ কয় যে. এই বিষয়টো সদনত আলোচনা কৰা মানেই নিয়ম অমান্য কৰা হ'ব। শ্ৰীৰিজিজুৱে সজোৰে কয় যে নিয়ম অনুসৰি নিৰ্বাচন আয়োগৰ লেখিয়া স্বায়ত্ত শাসিত সংস্থাসমূহ সন্দৰ্ভত আলোচনা কৰিব নোৱাৰি। তেওঁ প্ৰতিবাদৰত সাংসদসকলক সদনৰ কাম-কাজ নিয়াৰিকৈ চলাৰ বাবে আহ্বান জনায়, যাতে তালিকাভুক্ত গুৰুত্বপূৰ্ণ বিধেয়কসমূহ উত্থাপন কৰিব পৰা যায়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উত্থাপন কৰা ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৪ গৃহীত হয়। হুলস্থূলীয়া পৰিবেশ অব্যাহত থকাত সেই সময়ত সদনৰ দায়িত্বত থকা সদস্যগৰাকীয়ে দিনটোৰ বাবে সদন স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে, প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বৰ্ষৰ বাবে মণিপুৰৰ আনুমানিক আয় আৰু ব্যয়ৰ প্ৰাকলন সদনত দাখিল কৰে। কেন্দ্ৰীয় ড০ জিতেন্দ্ৰ সিঙেও ২০২৩-৩৪ বৰ্ষৰ বাবে কৰ্মযোগী ভাৰতৰ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। সেইসময়ত সদন পৰিচালনাৰ দায়িত্বত থকা দিলীপ শইকীয়াই শূন্যকালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ একাংশ সাংসদ সদনৰ মজিয়ালৈ উঠি যায় আৰু ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আলোচনাৰ দাবী কৰি ধববনি দিবলৈ ধৰে। শ্ৰী শইকীয়াই কয়, যে প্ৰতিদিনে সদনৰ কাম-কাজ বিঘ্নিত কৰা আৰু সদনৰ মজিয়ালৈ পোষ্টাৰ-প্লে কাৰ্ড লৈ অহাটো সঠিক নহয়। তেওঁ বিৰোধী পক্ষ্যৰ সদস্যসকলক ইতিবাচক ভূমিকা পালন কৰিবলৈ আৰু সদনৰ কাম-কাজ চলাই নিয়া সহযোগ কৰিবলৈ আহ্বান জনায়। সদনৰ কাৰ্যক্ৰমনিকা বিঘ্নিত কৰাৰ দৰে সদনৰ গৰিমা লাঘব কৰে বুলি তেওঁ উল্লেখ কৰে। শ্ৰী শইকীয়াই প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনাই যদিও তেওঁৰ চেষ্টা অথলে যায়। এনে পৰিস্থিতিৰ মাজতে তেওঁ সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষই ১৯৪৫ চনত জাপানৰ হিৰ'ছিমা আৰু নাগাছাকিত সংঘটিত পাৰমানৰিক বোমা বিস্ফোৰণৰ বলি হোৱা লোকসকলৈ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ কয় যে ৮০ বছৰ পূৰ্বে ১৯৪৫ চনত ৬ আৰু ৯ আগষ্টত হিৰ'ছিমা আৰু নাগাছাকিত পাৰমাণৱিক বোমাৰে আক্ৰমণ চলোৱা হৈছিল। এই বিস্ফোৰণত ভালেসংখ্যক লোকে প্ৰাণ হেৰুৱাইছিল আৰু অগণন লোক জীৱনলৈ ঘূণীয়া হৈছিল। শ্ৰী বিৰলাই পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নাশ কৰিবলৈ আৰু গোলকীয় শান্তি সুনিশ্চিত কৰাৰ বাবে সমূহীয়াভাৱে কাম কৰাৰ প্ৰতি সদনৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। সদনো এই বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকলৰ সন্মাৰ্থে কিছুসময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে অধ্যক্ষই প্ৰশ্নোত্তৰ কালৰ কাম আগুৱাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সম্পৰ্কে আলোচনাৰ দাবী তুলি ধ্বনি দিবলৈ ধৰাত অধ্যক্ষই দিনৰ ১২ বজালৈ সদন স্থগিত ৰাখে।

ৰাজ্যসভাতো আজি অনুৰূপ পৰিস্থিতিৰ উদ্ধৱ হয়। প্ৰথম বাৰ স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত ৰাজ্যসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী দলসমূহে বিহাৰ আৰু আন বিষয় লৈ সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৫-২৬ বৰ্ষৰ বাবে মণিপুৰৰ আনুমানিক আয় আৰু ব্যয়ৰ প্ৰাকলন সদনত দাখিল কৰে। ৰাজ্যসভাৰ বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গেই পইণ্ট অব অৰ্ডাৰযোগে বিষয়টো উত্থাপন কৰি কয় যে সকলোৰে বাবে নিয়ম একে হোৱা উচিত। তেওঁক প্ৰত্যুত্তৰ দি

সদনৰ নেতা জে পি নাড্ডাই কয় যে যিসকলে সদনৰ কাম-কাজত বাধা প্ৰদান কৰে তেওঁলোকৰ পইণ্ট অব অৰ্ডাৰ উত্থাপন কৰাৰ অধিকাৰ নাই। ইয়াৰ পাছত সমুদ্ৰ পথেৰে সামগ্ৰী পৰিবহন বিধেয়ক ২০২৫ গৃহীত হয়। ইয়াৰ পাছতে দিনটোৰ বাবে ৰাজ্যসভা স্থগিত ৰখা হয়।
ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত সদনে কালি নতুন দিল্লীত দেহাৱসান ঘটা প্ৰাক্তন সদস্য সত্যপাল মালিকলৈ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছতে উপসভাপতিগৰাকীয়ে বিভিন্ন ৰাজনৈতিক দলৰ পৰা ৩৫খন সভা স্থগিতকৰণৰ জাননী লাভ কৰা বুলি আৰু বিভিন্ন নিয়মৰ দোহাই দি জাননীসমূহ প্ৰত্যাখ্যান কৰা বুলি ঘোষণা কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে নিজৰ নিজৰ বিষয় উত্থাপন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। হৰিবংশে কয়, যে শূন্যকালত কেইবাগৰাকীও সদস্যই ৰাজহুৱা গুৰুত্বৰ বিষয় উত্থাপন কৰিব বিচাৰিছে আৰু সদনৰ কাম-কাজ বিঘ্নিত কৰাটো কোনো কাৰণতে গ্ৰহণযোগ্য নহয়। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপসভাপতিয়ে সদনৰ কাৰ্য্যমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০০০

লোকসভাত আজি ব্যৱসায়িক জাহাজ চলাচল বিধেয়ক ২০২৪ গৃহীত হয়। এই বিধেয়কে ব্যৱসায়িক জাহাজ চলাচল আইন ১৯৫৮ৰ স্থান লব। ভাৰত হৈছে সামুদ্ৰিক চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ এটা অংশ। এই বিধেয়কে সামুদ্ৰিক চুক্তি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ অধীনত ভাৰতৰ দায়িত্ব পালন সুনিশ্চিত কৰি ব্যৱসায়িক জাহাজ পৰিবহনৰ সৈতে জড়িত আইনৰ সংশোধন কৰিব।

০০০০০০০

ৰাজ্যসভাই আজি সমুদ্ৰ পথেৰে সামগ্ৰী পৰিবহন বিধেয়ক ২০২৫ অনুমোদন জনোৱাৰ লগে লগে বিধেয়কখন সংসদত গৃহীত হয়। লোকসভাত ইতিমধ্যে বিধেয়কখন গৃহীত হৈছে। এই বিধেয়কখনে সমুদ্ৰ পথেৰে ভাৰতীয় সামগ্ৰী পৰিবহন আইন ১৯২৫ৰ স্থান লব। আইনখনৰ জৰিয়তে কোনো বন্দৰৰ পৰা সামগ্ৰী লৈ যোৱাৰ সময়ত ইয়াৰ দায়িত্ব, অধিকাৰ, দায়বদ্ধতা, দায়মুক্তি আদি দিশসমূহ নিশ্চিত কৰিব। আইনখনে কেন্দ্ৰীয় চৰকাৰক বিধেয়কখনৰ নীতি-নিয়মসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত নিৰ্দেশ দিয়াৰো অধিকাৰ দিছে। এই আইনে সামগ্ৰী বোজাইৰ ৰছিদৰ ক্ষেত্ৰত থকা নিয়মসমূহ নিৰ্দিষ্ট কৰা সূচী সংশোধনৰো অধিকাৰ প্ৰদান কৰিছে। এই ৰছিদত কঢ়িয়াই অনা সামগ্ৰীৰ ধৰণ, পৰিমাণ, গন্তব্যস্থান আদি বিষয় উল্লেখ থাকে। আলোচনাৰ উত্তৰ দি ৰাজ্যিক জাহাজ পৰিবহন আৰু জলপথ ৰাজ্যমন্ত্ৰী শান্তনু ঠাকুৰে

কয় যে ১০০ বছৰ পুৰণি নীতি-নিয়মসমূহ বাতিল কৰাই হৈছে সমুদ্ৰ পথেৰে সামগ্ৰী পৰিবহন বিধেয়ক ২০২৫ৰ মূল উদ্দেশ্য।

০০০০০০০

উত্তৰাখণ্ডৰ উত্তৰ কাশী জিলাৰ ডাৰৰ বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত ধাৰালি অঞ্চলত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সংস্থাসমূহে ক্ষিপ্ৰ গতিত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামিয়ে আজি অঞ্চলটো পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলক সাক্ষাৎ কৰে। তেওঁ লগতে আহত লোকসকলক উপযুক্ত চিকিৎসা প্ৰদান সুনিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ডাৰৰ বিস্ফোৰণৰ ফলত হতাহত হোৱা লোকৰ পৰিয়াললৈ সম্ভাব্য সকলো ধৰণৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। উদ্ধাৰ অভিযান দ্ৰুতগতিত চলোৱাৰ বাবে দুখন হেলিকপ্তাৰ ব্যৱহাৰ কৰা হৈছে। ভাৰতীয় বায়ুসেনা বাহিনীয়ে চিনুক হেলিকপ্তাৰযোগে অঞ্চলটোৰ পৰা আৱৰ্জনা নিষ্কাষণ আৰু পথ যোগাযোগ সুচল কৰাৰ বাবে যাৱতীয় গধুৰ যন্ত্ৰপাতি প্ৰেৰণ কৰিছে।
ডাৰৰ বিস্ফোৰণৰ ফলত ভাৰতীয় সেনাবাহিনীৰ এগৰাকী কনিষ্ঠ বিষয়াকে ধৰি ৮গৰাকী জোৱান এতিয়াও নিৰুদ্দেশ হৈ আছে। ভাৰতীয় সেনাবাহিনীৰ ২২৫গৰাকীৰো অধিক জোৱানে উদ্ধাৰ আৰু সাহায্য অভিযানত অংশগ্ৰহণ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় হস্ততাঁত মন্ত্ৰী গিৰিৰাজ সিঙে আজি নতুন দিল্লীত Carbon Footprint Assessment in the Indian Handloom Sector : Methods and Case Studies শীৰ্ষক এখন গ্ৰন্থ মুকলি কৰে। আই আই টি দিল্লী আৰু হস্ততাঁতৰ উন্নয়ন আয়ুক্তৰ কাৰ্যালয়ে প্ৰণয়ন কৰা এই গ্ৰন্থখনে হস্ততাঁতৰ উৎপাদন আৰু হস্ততাঁত উদ্যোগৰ ক্ষেত্ৰত কাৰ্বনৰ নিৰ্গমনৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে বাস্তৱিক পদ্ধতি আৰু পদক্ষেপৰ সবিশেষ দাঙি ধৰিছে।

০০০০০০০

সমাপ্ত